**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি নতুনকৈ শপত গ্ৰহণ কৰা ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীক দপ্তৰ বিতৰণ কৰে। সেই অনুসৰি, ৰামেশ্বৰ তেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ তথা চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হয়। অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমা সুৰক্ষা আৰু উন্নয়ন তথা আৰকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। একেদৰে মন্ত্ৰী চৰণ বড়োক পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ দায়িত্ব দিয়াৰ লগতে অজন্তা নেওগক পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ দায়িত্ব প্ৰদান কৰা হয়।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে কালি অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে গুৱাহাটী মহানগৰকে ধৰি ৰাজ্যৰ অন্যান্য জিলাত আজি আৰু অহা দুই-তিনিদিনলৈ বিজুলী-ঢেৰেকনিৰে প্ৰবল বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বৰষুণৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ঠাইত পানী জমা হোৱা আৰু ভূমিস্খলনৰ আশংকা কৰি জিলা কৰ্তৃপক্ষ তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে তাৎক্ষণিক সঁহাৰি ব্যৱস্থা সাজু কৰি ৰাখিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটী মহানগৰীৰ  জনসাধাৰণক যাৱতীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

০০০০

অসম পশু চিকিৎসা আৰু মীণ বিশ্ববিদ্যালয়ৰ অধীনত ২০২৬-২৭ শিক্ষা বৰ্ষৰ বাবে প্ৰথমবৰ্ষৰ ডিগ্ৰী পাঠ্যক্ৰমত নামভৰ্তি চি ই টি এ এ ইউ, ২০২৬ৰ মেধা তালিকাৰ ভিত্তিত অনুষ্ঠিত হ'ব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ বি কে শৰ্মাই আজি এই কথা প্ৰকাশ কৰে। এই পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে শিক্ষাৰ্থীৰ সমূহীয়া প্ৰৱেশ পৰীক্ষা যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰিব। অসম কৃষি বিশ্ববিদ্যালয়ৰ ৱেবচাইট www.aau.ac.in আৰু অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ ৱেবচাইট www.avfu.ac.inত শিক্ষাৰ্থীসকলে অনলাইন আবেদন পত্ৰ আৰু তথ্যপুথি লাভ কৰিব। যোগ্যতাৰ

মান, পৰীক্ষাৰ সূচী, আবেদন প্ৰক্ৰিয়া আৰু অন্যান্য নিৰ্দেশনা সম্পৰ্কীয় তথ্যৰ বাবে প্ৰাৰ্থীসকলক এই ৱেবচাইট নিয়মীয়াকৈ অনুসৰণ কৰিবলৈ কৰ্তৃপক্ষই আহ্বান জনাইছে।

০০০০

যোৰহাট জিলাৰ ভূমিৰ ৰাজহ শ্ৰেণী বিভাজন সম্পৰ্কীয় প্ৰস্তাৱসমূহ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ প্ৰস্তাৱিত ভূমিৰ পুনৰ শ্ৰেণী বিভাজন প্ৰক্ৰিয়াৰ অগ্ৰগতি আৰু ইয়াৰ কাৰিকৰী দিশসমূহৰ ক্ষেত্ৰত আলোচনা কৰা হয়। জিলা আয়ুক্তই এই প্ৰক্ৰিয়াৰ সৈতে জড়িত সংশ্লিষ্ট বিভাগসমূহক ভূমি সংক্ৰান্তীয় কোনো জটিলতাই জিলাখনৰ উন্নয়নমূলক কাৰ্যক কোনো বাধাৰ সৃষ্টি নকৰিবলৈ নিকা আৰু দ্ৰুত গতিত কাম সম্পন্ন কৰাৰ বাবে নিৰ্দেশ দিয়ে। এই বৈঠকত জিলা উন্নয়ন আয়ুক্ত, সম-জিলা আয়ুক্ত, চক্ৰ বিষয়া, ভূমি সংৰক্ষণ, জলসম্পদ আৰু বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০

ৰাজ্য চৰকাৰৰ উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ অধীনত মৰিগাঁও জিলাত নিকৰি উন্নয়ন আঁচনিৰ অধীনত নিকৰি বা মাখনা খেতিৰ বিষয়ে আজি এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। মৰিগাঁও জিলা কৃষি বিভাগে ছল্ট ৰেঞ্জ ফুডচ্ প্ৰাইভেট লিমিটেডৰ সহযোগত আয়োজন কৰা এই কাৰ্যসূচীত জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে অংশগ্ৰহণকাৰী কৃষকসকলক জিলাখনত মাখনা খেতিৰ অপাৰ সম্ভাৱনাৰ কথা ব্যক্ত কৰে। তেওঁ লগতে ইয়াৰ পুষ্টি গুণ, ঔষধী গুণ আৰু বাণিজ্যিক গুৰুত্বৰ বিষয়েও কৃষকসকলক অৱগত কৰে। পুষ্টি গুণেৰে সমৃদ্ধ মাখনা খেতিত জলবায়ু সহনশীল হোৱা বাবে বহনক্ষম কৃষিৰ ক্ষেত্ৰত ই আদৰ্শ বিকল্প হ'ব পাৰে বুলিও জিলা আয়ুক্তগৰাকীয়ে মতপোষণ কৰে। এই অনুষ্ঠানত উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ ভালেসংখ্যক বিষয়া আৰু জিলা কৃষি বিভাগৰ বিষয়ববীয়া তথা ভালেসংখ্যক কৃষক উপস্থিত থাকে।

০০০০

ৰঙাইগাঁও বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত আৰু জিলা স্বাস্থ্য সমিতিৰ অধীনত আজি বিশ্ববিদ্যালয় চৌহদত এখন যক্ষ্মা সজাগতা সভা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য অধ্যাপক তৰণী ডেকাই অনুষ্ঠান উদ্বোধন কৰি এই ৰোগ প্ৰতিৰোধ কৰিবলৈ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছসেৱকসকলৰ সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ড০ ৰূপনাথ ৰাৱীয়ে এই সজাগতা সভা অনুষ্ঠিত কৰাৰ বাবে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটক প্ৰশংসা কৰে। অনুষ্ঠানত বঙাইগাঁও জিলা ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ বিষয়া খনীন্দ্ৰ পাটগিৰী আৰু চয়নিকা কলিতা সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে অহা ২৫ মে'ৰ পৰা বন্ধ থাকিব। প্ৰতিকূল বতৰ আৰু উদ্যানৰ ভিতৰৰ ক্ষেত্ৰসমূহৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। পূব অসম বন্য প্ৰাণী সংমণ্ডলৰ বিভাগীয় বন বিষয়াই আজি জাৰি কৰা জাননীত পৰ্যটকৰ সুৰক্ষাৰ স্বাৰ্থত অহা ২৫ মে'ৰ পৰা সাময়িকভাৱে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটন কাৰ্যসূচী বন্ধ থাকিব বুলি উল্লেখ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ